আপুনি যিবোৰ কথা কয় আৰু যিটোৰ প্ৰতি আপুনি আহ্বান কৰে সেইটো খুবেই উত্তম। গতিকে আপুনি যদি আমাক জনালেহেঁতেন যে, আমি যিবোৰ কৰ্ম কৰিছোঁ ইয়াৰ কিবা কাফ্ফাৰাহ বা প্ৰায়শ্চিত্য আছেনে?

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত কিছুমান মুশ্বৰিক ব্যক্তি
অত্যাধিক হত্যাকাণ্ড আৰু অত্যাধিক ব্যভিচাৰত লিপ্ত আছিল, এটা সময়ত সিহঁতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লে যে, আপুনি যিবোৰ কথা কয় আৰু যিটোৰ প্ৰতি আপুনি আহ্বান কৰে সেইটো খুবেই উত্তম। গতিকে আপুনি যদি আমাক জনালেহেঁতেন যে, আমি যিবোৰ কৰ্ম কৰিছোঁ ইয়াৰ কিবা কাফ্ফাৰাহ বা প্ৰায়শ্চিত্য আছেনে? এই প্ৰেক্ষাপটত এই আয়াত অৱতীৰ্ণ হ'লঃ "আল্লাহৰ সত্যবাদী বান্দাই আল্লাহৰ লগত আন কোনো ইলাহক আহ্বান নকৰে; আৰু আল্লাহে যি প্ৰাণ হত্যা কৰিবলৈ নিষেধ কৰিছে, যথাৰ্থ কাৰণবিহীন তাক হত্যা নকৰে। তেওঁলোকে ব্যভিচাৰ নকৰে; যিয়ে এইবোৰ কৰিব সি (অৱশ্যে) শাস্তি ভোগ কৰিব।" (ছুৰা আল-ফুৰক্বানঃ ৬৮) লগতে এই আয়াত অৱতীৰ্ণ হ'লঃ "(সিহঁতক) জনাই দিয়ক, ‘হে মোৰ বান্দাসকল! তোমালোকৰ মাজৰ যিসকলে নিজৰ ওপৰত অন্যায় কৰিছা, আল্লাহৰ অনুগ্ৰহৰ পৰা (কেতিয়াও) নিৰাশ নহ’বা, নিশ্চয় আল্লাহে সকলো পাপ ক্ষমা কৰি দিব।
নিশ্চয় তেওঁ পৰম ক্ষমাশীল, পৰম দয়ালু’।" (ছুৰা ঝুমৰঃ ৫৩) [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

মুশ্বৰিকসকলৰ মাজৰ কিছুমান লোক নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল, যিসকলে অত্যাধিক হত্যা কৰিছিল আৰু ব্যভিচাৰত লিপ্ত আছিল। সিহঁতে তেখেতক ক'লেঃ আপুনি যি ইছলামৰ প্ৰতি আহ্বান কৰে আৰু যিবোৰ শিক্ষা দিয়ে সেইবোৰ খুবেই সুন্দৰ। কিন্তু আমি যিবোৰ গুনাহত লিপ্ত হৈ আছোঁ তথা যিবোৰ শ্বিৰ্ক আৰু মহাপাপ আদি কৰিছোঁ, এইবোৰৰ কিবা প্ৰায়শ্চিত্য আছেনে? এই ঘটনাৰ পৰিপ্ৰেক্ষিতত দুটা আয়াত অৱতীৰ্ণ হৈছিল, য'ত কোৱা হৈছে যে, মানুহৰ গুনাহ যিমানেই বেছি নহওক কিয় তথা যিমানেই ডাঙৰ নহওক কিয় তথাপিও আল্লাহে তাৰ তাওবা কবূল কৰিব। যদি এইটো সুবিধা নাথাকিলহেঁতেন তেন্তে সিহঁতে নিজৰ কুফৰ আৰু অন্যায়-অত্যাচাৰ অব্যাহত ৰাখিলহেঁতেন আৰু ইছলামত প্ৰৱেশ নকৰিলেহেঁতেন।

http://www.sunnah.global/hadeeth/as/show/65071